# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::::

সমগ্ৰ ৰাজ্যতে আজি কাতি বিহু পালন কৰা হৈছে। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই অসমৰ কৃষিজীৱী ৰাইজে কাতি বিহু উপলক্ষে সেৱা জনায়। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাতি বিহুৰ সেৱা জ্ঞাপন কৰে। এটা বাৰ্তাত তেওঁ এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। একেদৰে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কাতি বিহু উপলক্ষে শস্যশ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে টিংখাঙৰ নখাট লেঙেৰী পথাৰত আয়োজিত কাতি বিহু পালন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

ইফালে ৰাজ্য চৰকাৰৰ নিৰ্দেশ মৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু মহকুমাসমূহত কাতি বিহু পালন কৰা হয়। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ সন্দৰ্ভত সজাগতা সভাৰো আয়োজন কৰা হয়। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰে।

কৃষিমন্ত্ৰী অতুল বৰাই কাতি বিহু উপলক্ষে কৃষক ৰাইজৰ মংগল কামনা কৰি **গোলাঘাট** জিলাৰ বোকাখাটৰ আহুগাঁও পথাৰত আকাশবন্তি প্ৰজ্বলন কৰে। পৰিবহণ, আবকাৰী আৰু মীন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই **কলিয়াবৰৰ** পথাৰত কাতি বিহু উপলক্ষে আকাশবন্তি প্ৰজ্বলন কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও বজালীৰ ৰায়পুৰ গাঁৱৰ ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰি অসমৰ পথাৰসমূহ শস্য শ্যামলা হোৱাৰ কামনা কৰে।

oooooooo

উচ্চতম ন্যায়ালয়ে আজি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত ন্যায়ালয়ে এই গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে আজি এই ৰায়দান কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই সন্দৰ্ভত কয় যে অসম চুক্তি ৰাজ্যখনলৈ বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ এটা ৰাজনৈতিক সমাধান আছিল। উল্লেখযোগ্য যে

বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰে।

ইপিনে উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানৰ পাছতেই ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলে সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানক আৰদণি জনাই আনন্দ প্ৰকাশ কৰে।

অসম গণ পৰিষদৰ সভাপতি তথা ৰাজ্যৰ কৃষি মন্ত্ৰী **অতুল বৰাই** উচ্চতম ন্যায়ালয়ৰ ৰায়দানক আদৰণি জনাইছে। ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই উচ্চতম ন্যায়ালয়ৰ ৰায়দানে অসম চুক্তিৰ ভিত্তিবৰ্ষক ন্যায্যতা প্ৰদান কৰিলে বুলি প্ৰকাশ কৰে।

ৰাজ্যৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেবব্ৰত শইকীয়াই বিদেশী চিনাক্তকৰণৰ ৰায়দানক আদৰণি জনাইছে।

একেদৰে উচ্চতম ন্যায়ালয়ে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰখাৰ সিদ্ধান্তক আদৰণি জনাই এ আই ইউ ডি এফ দলে আজি দলীয় কাৰ্যালয়ত উৎসৱ উদযাপন কৰে।

আনহাতে, গোচৰটোৰ ৰায়দান সন্দৰ্ভত গোচৰৰ আবেদনকাৰী অসম সন্মিলিত মহাসংঘৰ নেতা মতিউৰ ৰহমানে অসন্তুষ্টি প্ৰকাশ কৰিছে। উচ্চতম ন্যায়ালয়ৰ এই ৰায় খিলঞ্জীয়াৰ বাবে সংকটৰ সৃষ্টি কৰিব বুলি তেওঁ সন্দেহ প্ৰকাশ কৰে। খিলঞ্জীয়া জনগোষ্ঠীসমূহে এইক্ষেত্ৰত সিদ্ধান্ত ল'ব লাগিব বুলিও তেওঁ কয়।

ইপিনে আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে উচ্চতম ন্যায়ালয়ৰ ৰায়লৈ আদৰণি জনাই প্ৰেছ বিজ্ঞপ্তিযোগে কৈছে যে, অসমৰ ৰাজনৈতিক ইতিহাসৰ কাৰণে আজি এটা গুৰুত্বপূৰ্ণ দিন আৰু আজিৰ এই ৰায়দানে দীৰ্ঘদিনীয়া বিদেশী নাগৰিকৰ সমস্যাৰ স্থায়ী সমাধানৰ পথ মুকলি কৰিলে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানৰ সৈতে ৰাজ্যৰ স্বাৰ্থজনিত বিভিন্ন বিষয়ত আলোচনা কৰে। এই বাৰ্তালাপত ৰাজ্যখনৰ নতুন খাদ্য প্ৰক্ৰিয়াকৰণ বিনিয়োগ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই সম্পৰ্কত মুখ্যমন্ত্ৰী গৰাকীয়ে এই আলোচনাই অসমৰ বিকাশ আৰু উন্নয়নত বিশেষ অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে।

oooooooo

অসম মল্লযুঁজ সংস্থাই ১৭ সংখ্যক সদৌ অসম আন্তঃজিলা মল্লযুঁজ প্ৰতিযোগিতা ২০২৪ৰ আয়োজন কৰিছে। অহা ১৯ আৰু ২০ অক্টোবৰত গুৱাহাটীস্থিত দেশভক্ত তৰুণৰাম ফুকন অন্তদ্বাৰ ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

oooooooo

গুৱাহাটী গণেশগুৰিৰ ত্ৰিবেনী পথৰ বাসিন্দা বিশিষ্ট চিকিৎসক ডাঃ গাজি গিয়াছুদ্দিন আহমেদৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ।

oooooooo

**সমাপ্ত**